ভালকৈ খাইছে, পিন্ধিছে, ঘৰৰ পৰিয়ালৰ দৰে বাস কৰিছে' ইত্যাদি। সেইবোৰ শুনি মদিৰাৰ হৃদয় ভঙা কাঁচৰ দৰে হয়। তাইৰ ক'বলৈ মন যায়— 'মা- তই নুবুজিলি'। মনৰ দাপোণখন যদি উলিয়াই আনি লৈ দেখুৱাব পৰা গ'লহেঁতেন! ক'ব নোৱৰাকৈ মনৰ ভিতৰৰ আবেগ, আক্ষেপ ওলাই আহে। নাই তাই জানে তাইৰ আবেগৰ কোনো দাম নাই। মাকে গৃহিনীৰ পৰা টকাখিনি লৈ কঁকালত পিন্ধা কাপোৰৰ ভাঁজত গুজি লৈ গে'টখন খুলি গুচি যায়। বাৰান্দাৰ গ্ৰীলত আউজি মদিৰা হৰিণা পহুৰ দৰে থৰ লাগি চাই থাকে মাকে যোৱা বাটটোলৈ। তেতিয়া তাই ভাবে যে পৃথিৱীৰ মানুহ যেন নিৰ্দয়, লোভী আৰু স্বাৰ্থপৰ। মদিৰাৰ জীৱন ভেকুলীৰ দৰেই। ভেকুলীৰ জন্ম হয় পানীত, জীৱনৰ কেইবাটাও স্তৰ পাৰ হৈ হাত-ভৰি পুৰঠ হ'লে ভেকুলীটো বামত বাস কৰিব বিচাৰে, কিন্তু তাত শত্ৰুৰ পৰিমাণ ইমানেই বেছি যে ভেকুলীটো আকৌ পানীতেই থাকিবলৈ বাধ্য হয়। মদিৰা বনকৰা ছোৱালী হৈ থাকিব নিবিচাৰিলেও মাকে বিচাৰে, তাই অসহায় অনুভৱ কৰে। ঠিক ভেকুলীৰ দৰেই।

এদিনাখন অ'টোখন নাহিল। ঘৰৰ গৃহিণীয়ে মদিৰাক ক'লে 'ঐ মদিৰা, তই যাচোন চাৰিআলিলৈ। ছোৱালীজনীক ৰিক্সাত উঠাই দি আহিবি। বেগখন তয়ে ল'বি, সেইটো যথেষ্ট গধুৰ নহয়।' ঘৰৰ পৰা চাৰিআলি আধা কিলোমিটাৰ বাট। ঘৰৰ গৃহিণীৰ হুকুম যেতিয়া উপায় নাই। যৌৱনৰ ঢৌৱে মদিৰাৰ সৰ্বশৰীৰতে স্পৰ্শ কৰিছে। মদিৰাৰ মুঠেই ইচ্ছা নাই কিন্তু বনকৰা ছোৱালীৰ কৈফিয়তৰ কোনো মূল্য নাই। মদিৰাই বেগখন লৈ স্কুলীয়া ছোৱালীজনীৰ পিছে পিছে গৈ থাকিল। চাৰিআলিত ৰিক্সাখনত ছোৱালীজনীক উঠাই দি মদিৰা উভতি আহিব ধৰিলে। মদিৰাই জানে যে গৃহস্থৰ ছোৱালীক লগত লৈ অকলে উভতি অহা মানে ইলিচ মাছৰ দৰে উজাই অহা। উদণ্ড যুৱকৰ চাৱনি আৰু অশ্লীল কথা তাইৰ বৰ অসহ্য। দুটা ল'ৰা খাপপাতি থকা মদিৰাই দেখিছেই কি বা হয় তাইৰ চিন্তা। হয়, য'তে বাঘৰ ভয় তাতেই ৰাতি হয়। মদিৰা আহি থকা বাটতে ল'ৰা দুটা আগৰ দৰেই চাধা মাৰি আছিল। মূৰটো তলমুৱাকৈ তাই আহি আছিল। মদিৰাক দেখি ল'ৰা দুটাৰ বান্দৰে কল পোৱাৰ দৰে হ'ল। এজনে মাত লগালে-' ঐ ছোৱালী তই বৰ ধুনীয়া অ', তোৰ গাল দুখনি কামুৰি ছিঙি দিবৰ মন যায়।' আনজন ল'ৰাই মাত লগালে-'ওহ! কিযে বস্তু, যেন পকা আমহে, খাবলৈ বৰ মজাৰ হ'ব।' মদিৰা লাজতে ৰঙাছিঙা পৰিল। তাই বেগাই খোজ ল'লে, দুবাৰমান উজুতিও খালে। তাইৰ কান্দিবৰ মন গ'ল। কিন্তু কান্দোন শুনিব কোনে, ভিতৰৰ আবেগক হেঁচি ধৰি তাই আগবাঢ়িল। ঘৰখন পাবলৈ আৰু বেছি দেৰি নাই। আনুমানিক ষাঠি বছৰীয়া মানুহ এজনে বাঘৰ দৰে লক্ষ্য কৰি আছিল মদিৰাক। মানুহজনৰ কাষ পোৱা মাত্ৰকেই গৰগৰাই উঠিল-'ঐ ছোৱালী তই কাৰ ঘৰত থাক?' 'তালুকদাৰৰ ঘৰত'— মদিৰাৰ মৃদু উত্তৰ।-'মোৰ ঘৰত থাকিবি টকা বেছিকৈ দিম'। 'নাথাকো' বুলি কৈ মদিৰা একপ্ৰকাৰ দৌৰিহে যেন গেটৰ ভিতৰ সোমাল। ঘৰৰ গৃহস্থই বাৰান্দাত বহি খবৰ কাগজ চাই আছিল। মদিৰা কিছু ভাগৰি পৰিছিল। গৃহস্থজনে মদিৰাৰ ফালে চালে। ভৰিৰ পৰা মূৰলৈ এক অদ্ভুত দৃষ্টিৰে। মদিৰা হুৰহুৰকৈ ভিতৰলৈ সোমাই গ'ল। গৃহস্থজনৰ মনৰ সাগৰত অবুজ জোৱাৰ উঠিল। আজিহে তেওঁ ভালকৈ লক্ষ্য কৰিছে যে মদিৰা আৰু সৰু হৈ থকা নাই। তাইৰ উত্তাল যৌৱনৰ মোহনীয় চেহেৰা, গোলমুখৰ গোলাপী ৰং আৰু ডালিম গুটিৰ দৰে জিক্‌মিকাই থকা দাঁতৰ হাঁহি কি যে অপূৰ্ব আকৰ্ষণ! মগজুত উপস্থিত বুদ্ধিৰ অভাৱ নাই গৃহস্থজনৰ। তেওঁ মদিৰাক মাতিলে 'মদিৰা পানী এগিলাচ লৈ আহাচোন।' সেই মুহূৰ্তত ঘৰখনত কোনো নাই। গৃহস্থজনীৰ ওপৰত বৰ খং উঠিল মদিৰাৰ। এই অসময়ত ক'লৈ গ'ল! আজি তাইক যেন শনিয়ে লগ পাইছে। মদিৰাৰ ভৰিখন কঁপিবলৈ ধৰিলে। কিন্তু উপায় নাই। পানী এগিলাচ লৈ মদিৰা বাৰান্দাৰ ফালে আগবাঢ়িল। তাইৰ ভিতৰখনত বাৰে বাৰে খুন্দিয়াইছে আজি কিয় গৃহস্থই ভৰিৰ পৰা মূৰলৈ এক ৰহস্যজনক দৃষ্টিৰে লক্ষ্য কৰিছে। পানীৰ গিলাচটো মদিৰাই কেনেকৈ দিব ভাবিলে, বাৰান্দাত থকা সৰু টেবুলখনত থৈ আহিব নে হাতত দিব। গিলাচটো দিয়ে গুচি আহিব নে খালী গিলাচটো ল'বৰ বাবে ক্ষন্তেক সময় ৰৈ থাকিব। গিলাচটো দিবলৈ ধৰোঁতে যদি গৃহস্থই হাতখন ধৰি পেলায় তেন্তে! নানান ধৰণৰ চিন্তাই মদিৰাৰ মনৰ মাজত উগুল-থুগুল লগালে। আকৌ ভাবিছে নাই এইবোৰ অমূলক চিন্তাহে, সেইখন ঘৰত তাই থাকে, বনকৰা ছোৱালী হ'ল বুলিয়েই গৃহস্থজনে ইমান নীচ কাম কৰিব নে? তাই আগবাঢ়িল। গিলাচটো দিব খোজোঁতেই গৃহস্থজনে হাতখন আগুৱাই দিলে, হঠাৎ মদিৰাৰ হাতৰ পৰা গিলাচটো সৰি পৰিল। পকাত গ্লাচৰ শব্দ শুনি কাষৰ ঘৰৰ পৰা গৃহিণীয়ে দৌৰি আহিল। গেটখন খুলি ভিতৰত সোমাই দেখিলে ভঙা গিলাচ, মদিৰাই ভয়তে কঁপি আছে, গৃহস্থৰ মুখমণ্ডলত বেজাৰৰ ছাপ। গৃহিণী খঙত অগ্নিশৰ্মা হৈ মুখ মেলিলে। 'এই ন বজাতেই ইমান তৃষ্ণাতুৰ হৈছিলানে?' গৃহস্থজনে উত্তৰ বিচাৰি নেপাই চুপ হৈ ৰ'ল। মদিৰাৰ ফালে দৃষ্টি নিক্ষেপ কৰি ক'লে-'অই, অসভ্য যা বাথৰূমত কাপোৰ ভিজাই থোৱা আছে।' মদিৰা বাথৰূমলৈ গ'ল। বাল্টিৰ পৰা কাপোৰবোৰ উলিয়াই ল'লে। মদিৰাৰ চকুৰ পানী কাপোৰ ধোৱা পানীৰ সৈতে একাকাৰ হ'ল। তাই জানে এই চকুলোৰ কোনো মূল্য নাই। তাইৰ চকুলো আৰু কাপোৰ ধোৱা অপৰিষ্কাৰ পানী একেলগে গৈ নৰ্দমাত পৰিব য'ত সুগন্ধ নাই আছে দুৰ্গন্ধহে।

চুটিগল্প

# আশা-প্ৰত্যাশা

**অনুপ কুমাৰ হাজং**
স্নাতক ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ



ক'লা ডাৱৰে ছানি ধৰিছে সমগ্ৰ আকাশখন। অনুমান হয় ক্ষন্তেক পিছতে যেন ধৰাৰ বুকুলৈ নামি আহিব এজাক বৰষুণ। বৰষুণ আহিব বুলি প্ৰশান্তই চকী এখন উলিয়াই বাহিৰৰ বাৰাণ্ডাত বহি ল'লে। অলপ পিছতে গাজনি-ঢেৰেকনিৰে খুব জোৰেৰে বৰষুণ পৰিবলৈ ধৰিলে। প্ৰশান্তই নিষ্পলক দৃষ্টিৰে বৰষুণৰ টোপালবিলাক চাই চাই ঘূৰি গ'ল অতীতলৈ, যেতিয়া এবুকু আশা লৈ মেট্ৰিক পৰীক্ষা পাছ কৰি কলেজত নাম লগাইছিল। প্ৰশান্তৰ আশা আছিল পঢ়ি-শুনি এজন ভাল মানুহ হোৱা আৰু ঘৰখনত অলপ পোহৰ সিঁচি দিয়া। কলেজখনত প্ৰথমে গৈয়েই সি কলেজৰ পৰিৱেশটোত আপ্লুত হৈ পৰিছিল। আস্ কি বিনন্দীয়া! চালে চকুৰোৱা কলেজৰ প্ৰাকৃতিক সৌন্দৰ্য। অৱশ্যে হাইস্কুলত পঢ়ি থাকোতেই প্ৰশান্তই কলেজখনৰ বিষয়ে বেলেগৰ মুখত শুনিছিল আৰু সেইখন কলেজত পঢ়াৰ এটা ইচ্ছা পুহি ৰাখিছিল। সেইবাবে সি খুব একাগ্ৰতাৰে পঢ়া-শুনা কৰি সুখ্যাতিৰে মেট্ৰিক পাছ কৰি সেইখন কলেজতেই নামভৰ্তি কৰিছিল।

সকলোৰে জীৱনলৈ এবাৰ হ'লেও প্ৰেম অহাৰ দৰে কলেজীয়া জীৱনত প্ৰশান্তৰ জীৱনলৈও প্ৰেমৰ আগমন ঘটিল। বন্ধু মৃণালে চিনাকি কৰাই দিছিল পৰীৰ লগত। সৰগৰ পৰীৰ দৰেই ধুনীয়া তাই। প্ৰথম দৃষ্টিতেই পৰীক আপোন যেন অনুভৱ হৈছিল তাৰ। তাইৰ নীলা চকুযুৰিয়ে প্ৰতি মুহূৰ্ততে আমনি কৰিবলৈ লৈছিল প্ৰশান্তক। এদিন সি খোলাখুলিকৈয়ে পৰীক মনৰ ভাব ব্যক্ত কৰিলে আৰু পৰীয়েও তাৰ প্ৰস্তাৱৰ প্ৰতি সহাঁৰি দিলে। সময় বাগৰাৰ লগে লগে প্ৰশান্ত আৰু পৰীৰ প্ৰেম গভীৰ হ'ল। সেই প্ৰেমক সমাজত স্বীকৃতি দিবলৈ দুয়োৰেই প্ৰতিশ্ৰুতিবদ্ধ হ'ল।

কিন্তু, সিহঁতৰ সেই সুখভৰা, ভাল লগা দিনবোৰ হয়তো ভগৱানৰ সহ্য নহ'ল। হঠাৎ প্ৰশান্তৰ জীৱনলৈ নামি আহিল কাল ধুমুহা আৰু সেই ধুমুহাই সকলো সপোন ভাঙি-ছিঙি চুৰমাৰ কৰি দিলে। প্ৰশান্তৰ দেউতাকে বেলেগৰ ঘৰত হাজিৰা কৰি খুব কষ্টেৰে সংসাৰখন চলোৱাৰ লগতে প্ৰশান্তকো পঢ়ুৱাইছিল। সেই দেউতাকেই টান নৰিয়াত পৰিল। চিকিৎসাৰ বাবে একেবাৰেই পইচা নাই যদিও গাঁৱৰ হাস্পতালখনৰ

ডাক্তৰজনকে খুব কাকুতি-মিনতি কৰি ঘৰলৈ আনিছিল। কিন্তু ডাক্তৰজনে দুটামান দৰৱৰ নাম লিখি দি টাউনৰ ডাক্তৰক দেখুৱাবলৈ ক'লে। সেই সময়ত ঘৰত দৰৱ কিনিবলৈকে পইচা নাছিল। মাকে বেলেগৰ ঘৰত কাম কৰিবলৈ ওলাইছিল। প্ৰশান্তৰ নিজকে খুব অকৰ্মণ্য যেন অনুভৱ হৈছিল সেইদিনা। সি মাকক ঘৰত দেউতাকৰ কাষত থাকিবলৈ কৈ নিজেই কাম বিচাৰি ওলাই গৈছিল। কিন্তু দেউতাকক আৰু টাউনৰ ডাক্তৰক দেখুওৱা নহ'ল। সিহঁতক তেনেদৰেই এৰি থৈ দেউতাকে ইহ সংসাৰৰ পৰা বিদায় মাগিলে।

প্ৰশান্তই জীৱনটোত সপোন দেখিবলৈ আৰম্ভ কৰোঁতেই সকলো সপোন শেষ হৈ গ'ল। প্ৰথমতে সি ভাবিছিল কাম কৰি পঢ়া-শুনা কৰিব। কিন্তু বাস্তৱত সেয়া হৈ নুঠিল। সি কলেজ বাদ দিলে। এদিনাখন বন্ধু মৃণালে তাৰ খবৰ ল'বলৈ আহিছিল। প্ৰশান্তই সকলো কথাই মৃণালক বিৱৰি ক'লে। মৃণালৰ ফোনৰপৰাই প্ৰশান্তই পৰীৰ লগত কথা পাতি তাইকো সকলোখিনি ক'লে। ক'লে তাইক ভালদৰে পঢ়া-শুনা কৰিবলৈ। তেনেদৰেই অলপ দিন গ'ল। প্ৰশান্তই লোকৰ ঘৰত হালবোৱা, জেওৰা দিয়া, বাৰীৰ কাম এইবিলাক কৰি মাকৰ সৈতে চলি আছিল। পৰীক চাবলৈ মন গ'লেও সি তাইক লগ কৰিবলৈ লাজ পোৱা হ'ল। ধনী ঘৰৰ ছোৱালী পৰীৰ সমকক্ষ হৈ আছে জানো সি এতিয়া? ইমানখিনি হৈ যোৱাৰ পিছতো ভগৱানে যে প্ৰশান্তৰ বাবে আৰু দুখ সাঁচি ৰাখিছিল, সি ভাবিবই পৰা নাছিল। এদিন দেউতাকৰ দৰেই মাকো বিচনাত পৰিল। মাকৰ অৱস্থাও ইমানেই শোচনীয় হ'বলৈ ধৰিলে যে সি কামলৈ যোৱাৰ আগত ৰান্ধি-বাঢ়ি নিজে খাই মাকৰ বাবে সকলো যোগাৰ কৰি থৈ যাব লাগে। ঘৰৰ ভিতৰতো সকলো কাম প্ৰশান্তই কৰিব লগা হ'ল। এদিন মাকে তাক মাতি নি ক'লে বিয়াখন পাতি ল'বলৈ। পৰীলৈ খুব মনত পৰিছিল তাৰ। কিন্তু, সি জানো তাইৰ উপযুক্ত? পৰীয়ে এইবাৰ বি. এ ফাইনেল দিছে। পৰীৰ কথা সি নিজৰ বাহিৰে কাকোৱেই ক'ব নোৱাৰিলে। প্ৰেমৰ অনুভূতিৰ সোৱাদ লওঁতেই প্ৰশান্তৰ জীৱনৰ পৰা আঁতৰি গৈছিল। ইমান কেইবছৰৰ বিৰতিৰ পিছত পৰীৰ জানো মনত আছে তাক? লোকৰ ঘৰত হাজিৰা কৰা এটা ল'ৰালৈ তাই জানো বিয়া হ'ব? প্ৰশান্তই নিজেও পৰীক সেই কষ্ট দিবলৈ আনিব নোৱাৰে। এনেদৰেই 'পৰী' নামৰ সপোনটোক বুকুৰ নিভৃত কোণতেই খুব আলফুলে সামৰি থ'লে প্ৰশান্তই।

যোৱা মাহত গাঁৱৰে মণিৰ লগত প্ৰশান্তৰ বিয়া হৈ গ'ল। বিয়া মানেনো আৰু কি! তামোল-পাণ এযোৰেৰে দুয়োটাই গাঁৱৰ নামঘৰটোতে তিনি চাৰিজন মানুহ মাতি সেৱা ল'লে। মাক এতিয়াও বিচনাতেই। অৱশ্যে মণি অহাৰপৰা ঘৰখন ভাল লগা হৈছে। মাকৰো মনটো আগতকৈ ভাল হৈ থাকে।

'চাহ খাব নেকি?'

হঠাৎ মণিৰ মাতত প্ৰশান্ত বাস্তৱলৈ ঘূৰি আহিল। বৰষুণজাকো এৰিছেই। তৰুণ দাইটিৰ ঘৰত জেওৰা এখন দিব লাগে। মণিক চাহ একাপ বনাবলৈ কৈ প্ৰশান্ত লাহেকৈ ভিতৰলৈ সোমাই গ'ল।



# হঠাৎ এজাক ধুমুহা

**নিবেদিতা দাস**
স্নাতক চতুৰ্থ ষাণ্মাসিক, কলা শাখা

কলেজত প্ৰথম দিন আছিল সেইদিনা প্ৰিয়ংকাৰ। মনত অলেখ ভয়, সংশয় আৰু লাজ। গাঁৱৰ ঘৰৰ পৰিৱেশৰ পৰা ওলাই আহি সম্পূৰ্ণ এটি নতুন পৰিৱেশত খোজ দিয়াৰ যি আমোদ আৰু মাদকতা, সেয়াও অনুভৱ কৰিছিল তাই। কিন্তু ভবাৰ দৰে, ভয় কৰাৰ দৰে একোৱেই ঘটা নাছিল। কেইদিনমান যোৱাৰ পিছতেই

চুটিগল্প



ল'ৰাজনে মূৰ তুলি চাই 'yes' বুলি ক'লে। 'বেয়া নাপায় যদি এই কিতাপখন মোক দিব নেকি? **মোক দুদিনমানৰ বাবে লাগিছিল। জৰুৰী।' প্ৰিয়ংকাৰ কথাত ল'ৰাজনে সামান্যও** আপত্তি নকৰাকৈ কিতাপখন তাইক দি দিছিল।

সকলোবিলাকেই আপোন হৈ পৰিছিল। নতুন বন্ধু-বান্ধৱী, দাদা-বাইদেউসকলক পাই ঘৰত এৰি অহা ভাইটিটোৰ দৰেই আপোন লাগিছিল প্ৰিয়ংকাৰ। পঢ়া-শুনাতো ভাল হোৱাৰ বাবেই হয়তো খুব সোনকালেই কলেজৰ ছাৰ-বাইদেউসকলৰো চিনাকি আৰু আপোন হৈ পৰিছিল। কিন্তু, এই সকলোবিলাকৰ মাজতো যেন ক'ৰবাত তাই কিবা এটাৰ অভাৱ খুব অনুভৱ কৰিছিল। অজয়.....। তাইৰ স্কুলীয়া জীৱনৰ আটাইতকৈ ভাল বন্ধু। পঢ়া-শুনা, খেল-ধেমালি সকলোতে আগবঢ়া, নম্ৰ, অমায়িক অজয়ৰ লগত তাই পঢ়া-শুনাৰ লগতে প্ৰায় সকলো কথাই মুকলিকৈ পাতিব পাৰিছিল। দুয়ো দুয়োকে যথেষ্ট সহায় কৰিছিল। স্কুলৰ পৰা কোনো প্ৰতিযোগিতা বা অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া হ'লেও দুয়োৱে একেলগে কৰিছিল। মুঠতে অজয় আৰু প্ৰিয়ংকা দুয়োটাই ছাঁটোৰ দৰে ইটো সিটোৰ লগত ঘূৰি ফুৰিছিল। তাকে লৈ তাইৰ ক্লাছৰ বন্ধু-বান্ধৱীসকলে প্ৰায়ে সিহঁত দুয়োটাকে জোকাইছিল যদিও সিহঁতে সেইবিলাক কথাত গুৰুত্ব দিয়া নাছিল কাহানিও। কিন্তু এদিন এনেদৰে জোকাওঁতে অজয়ে ধেমালিৰ চলেৰে ক্লাছত সকলোকে হাঁহি হাঁহি কৈছিল যে সি সদায় প্ৰিয়ংকাৰ লগতে থাকিব লাগিব। তাই যিহে আঁকৰী ছোৱালী, নহ'লে তাইক কোনোবাই খুব বেয়াকৈ ঠগিব। কথাষাৰ মনত পৰি এতিয়া হাঁহি উঠে প্ৰিয়ংকাৰ।

অজয়েও খুব ভালদৰেই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল যদিও ঘৰুৱা আৰ্থিক অৱস্থাৰ বাবে সি গাঁৱৰ কলেজখনতেই নামভৰ্তি কৰিলে। প্ৰিয়ংকা গাঁৱৰ পৰা গুচি আহিব বুলি শুনাৰ পিছৰে পৰা অজয় যেন খুব ভাবুক হৈ পৰিছিল। প্ৰিয়ংকাৰ লগত খুব কমকৈ কথা কৈছিল। সি কেৱল কৈছিল যে তাই ভালকৈ পঢ়িব লাগিব। প্ৰিয়ংকাৰো বহুত দুখ লাগিছিল। কিন্তু গাঁৱৰ কলেজখনত 'বুৰঞ্জী' বিষয়টো নথকাত আৰু তাই যিহেতু সেই বিষয়টোৰেই পিছত পঢ়াৰ এটা সপোন আছিল, সেইবাবে তাই চহৰত পঢ়িবলৈ আহিবলৈ বাধ্য হৈছিল। গাঁৱৰপৰা অহাৰ দিনা তাই ৰাতিপুৱাই অজয়হঁতৰ ঘৰত গৈ তাৰপৰা চলচলীয়া চকুৰে বিদায় লৈছিল। আৰু লাহে লাহে অভ্যস্ত হৈ পৰিল চহৰীয়া জীৱন যাত্ৰাত। তথাপি তাৰ মাজতো হঠাৎ কোনো কোনো মুহূৰ্তত অজয়ৰ অনুপস্থিতিয়ে তাইৰ বুকুখন শূন্য কৰি তুলিছিল।

সেইদিনা আছিল বুধবাৰ। অফ পিৰিয়ডত প্ৰিয়ংকা লাইব্ৰেৰীলৈ গ'ল প্ৰয়োজন হৈ থকা এখন কিতাপ ল'বৰ বাবে। তাই যিখন কিতাপ বিচাৰিছিল সেইখন কিতাপৰ মাত্ৰ এটা কপিয়েই আছিল লাইব্ৰেৰীৰ আৰু সেইখনো এজন ল'ৰাই পঢ়ি আছিল। তাই অলপ সময় অপেক্ষা কৰিলে যদিও ল'ৰাজনে সোনকালে যে কিতাপখন পঢ়ি থ'ব, তাই কোনো লক্ষণ নেদেখিলে। ইফালে পিছৰ ক্লাছটো ইংৰাজীৰ। তাই কোনোপধ্যেই সেইটো ক্লাছ মিছ কৰিব নোৱাৰে। শেষত উপায়ন্তৰ হৈ প্ৰিয়ংকাই ল'ৰাজনৰ ওচৰলৈ গৈ ক'লে—

'Excuse me!'

ল'ৰাজনে মূৰ তুলি চাই 'yes' বুলি ক'লে। 'বেয়া নাপায় যদি এই কিতাপখন মোক দিব নেকি? মোক দুদিনমানৰ বাবে লাগিছিল। জৰুৰী।' প্ৰিয়ংকাৰ কথাত ল'ৰাজনে সামান্যও আপত্তি নকৰাকৈ কিতাপখন তাইক দি দিছিল। এই ঘটনাটোৰ পিছৰ পৰা ল'ৰাজনক আঁতৰত দেখিলেও ইটোৱে সিটোক চাই হঁহা হ'ল। এদিন দুয়ো চিনাকি হ'ল। গম পালে ল'ৰাজনৰ নাম প্ৰাণজিৎ কলিতা, ঘৰ সেই চহৰতে। আৰু বৰ্তমান স্নাতক প্ৰথম ষান্মাসিকৰ অৰ্থনীতি বিভাগৰ ছাত্ৰ।

লাহে লাহে দুয়ো প্ৰায়ে লগ হ'লেই কথা পতা হ'ল— পঢ়া-শুনাৰ পৰা ঘৰৰ কথা-বতৰালৈকে। যদিও প্ৰাণজিৎ প্ৰিয়ংকাতকৈ বয়সত এবছৰ ডাঙৰ আছিল, দুয়োজনেই খুব ভাল বন্ধু হৈ পৰিল আৰু প্ৰিয়ংকাই 'আপুনি'ৰ ঠাইত 'তুমি' সম্বোধন কৰিবলৈ আৰম্ভ কৰিলে। প্ৰিয়ংকাৰ বুকুৰ ক'ৰবাত থকা শূন্যতাখিনি যেন প্ৰাণজিতে লাহে লাহে পূৰ কৰি আনিব ধৰিলে।

পিছলৈ এনে হৈছিল যে প্ৰায় প্ৰতিদিনেই দুয়োৱে এবাৰ হ'লেও লগ হোৱাটো নিয়মত পৰিণত হৈছিল। প্ৰিয়ংকাৰ মন দাপোণত প্ৰাণজিতৰ প্ৰতিচ্ছবিয়েই যেন ভাঁহিবলৈ ধৰিলে। কেনেকৈ যে সেই বন্ধুত্বই তাইৰ মনত প্ৰেমৰ অনুভূতি সিঁচি দিলে, তাই গমকেই নাপালে। কিন্তু প্ৰাণজিতে কিভাৱে তাইক লৈ? কোনো কোনো সময়ত ভাব হয়, সিও যেন প্ৰিয়ংকাৰ প্ৰেমত পৰিছে। কিন্তু খোলাখুলিকৈ সেই কথা প্ৰিয়ংকাই সুধিব পৰা নাছিল বন্ধুত্ব হেৰুওৱাৰ ভয়ত।

তেনেদৰেই এটা বছৰ পাৰ হৈ গ'ল। ইতিমধ্যে প্ৰিয়ংকাহঁতৰ মাক-দেউতাকো চহৰত ঘৰ সাজি তাতেই থাকিবলৈ লৈছিল তাইৰ আৰু ভায়েকৰ পঢ়া-শুনাৰ খাতিৰত। এদিন তাই কলেজলৈ আহি থাকোঁতে হঠাৎ ৰাস্তাত পুৰণা বন্ধু অজয়ক লগ পালে। দুয়ো খুব উৎফুল্লিত হ'ল। দুয়ো দুয়োৰে খবৰ-বাতৰি ল'লে। অজয় কিবা কামৰ বাবে কেইদিনমানৰ কাৰণে চহৰলৈ অহা বুলি গম পালে তাই তাৰ মুখৰ পৰা। দুয়ো খুব কম সময়তেই বহুত কথা পাতিলে। আনকি প্ৰিয়ংকাই তাইৰ নতুন বন্ধু প্ৰাণজিতৰ বিষয়েও অজয়ক কৈ পেলালে আৰু পিছদিনা দুয়োকে লগ কৰাই দিয়াৰ কথা ক'লে। অজয়ে মন কৰিলে কম কথা কোৱা ছোৱালীজনীয়ে আজিকালি বহুত কথা কোৱা হ'ল। বেলেগে ঠগিব বুলি ভবা আঁকৰী ছোৱালীজনী এতিয়া যেন আঁকৰী হৈ থকা নাই। পিছদিনা পুনৰ প্ৰাণজিতৰ সৈতে তিনিও লগ হোৱাৰ প্ৰতিশ্ৰুতি দি দুয়োৱে সেইদিনালৈ বিদায় লৈছিল।

হঠাৎ মাকৰ মাতত প্ৰিয়ংকাৰ হুঁচ আহিল। মাকে ভাত খাবলৈ মাতি আছিল। ভাত খোৱাৰ অলপো মন নাই। আনকি নিজৰ ৰুমটোৰ পৰাও ওলাব মন যোৱা নাছিল। কিন্তু মাক-দেউতাকে যদি কিবা গম পায়। অনিচ্ছা সত্বেও প্ৰিয়ংকা খোৱাৰ টেবুললৈ উঠি আহিল। মাকে ভাত বাঢ়িয়েই থৈছিল। তাই কাকো একো নোকোৱাকৈ খাবলৈ বহিল। ভাতকেইটা লিৰিকি-বিদাৰি থকা দেখিয়েই হয়তো মাকে সুধিলে গা বেয়া লাগি আছে নেকি। তাই 'একো হোৱা নাই' বুলি কৈ দুগৰাহমান খাবলৈ চেষ্টা কৰিলে। খোৱা টেবুলৰ পৰা যেনে-তেনে আহি নিজৰ ৰুমটোত সোমাব পাৰিলেই যেন তাই ৰক্ষা পৰে। কিবাকৈ অলপ ভাত খাই প্ৰিয়ংকাই কাম থকা বুলি কৈ পুনৰ ৰুমত সোমালহি।

হয়, আজি পুৰণি প্ৰতিটো কথাই মনত পৰিছে তাইৰ। মনৰ দাপোণত অহা-যোৱা কৰিছে ঘটি যোৱা সকলো ঘটনা। সেই যে অজয়ক হঠাৎ লগপোৱাৰ পিছদিনা পুনৰ প্ৰাণজিতৰ সৈতে তিনিও লগ হৈছিল। প্ৰাণজিতে বুজিব পাৰিছিল অজয় আৰু প্ৰিয়ংকাৰ বন্ধুত্বৰ কথা। কথাটো ভাল লাগিছিল প্ৰিয়ংকাৰ। আনকি অজয় তাত থকা দিনকেইটাত প্ৰিয়ংকা নাথাকিলেও অজয় আৰু প্ৰাণজিৎ লগ হৈছিল। আৰু ঘূৰি অহাৰ আগদিনা অজয়েই প্ৰিয়ংকাক কৈছিল যে প্ৰাণজিতে প্ৰিয়ংকাক বিচাৰে। অলপ সময়ৰ বাবে প্ৰিয়ংকা থৰ লাগিছিল। তাইও যে প্ৰাণজিতক ভাল পায়, সেই কথা অজয়ক কৈছিল।

এনেদৰেই প্ৰিয়ংকা আৰু প্ৰাণজিতৰ প্ৰেম আগবাঢ়িল। প্ৰিয়ংকাই বুৰঞ্জী বিষয়ত মেজৰ লৈ ভালদৰেই বি. এ পাছ কৰি ইউনিভাৰ্ছিটিত নাম লগালে। আৰু প্ৰাণজিৎ এম. বি. এ কৰিবলৈ বাবে বাংগালুৰু গ'ল। প্ৰথমে সকলো ঠিকেই আছিল। কিন্তু লাহে লাহে যেন প্ৰাণজিৎ সলনি হৈছে, সেই কথা প্ৰিয়ংকাই মাজে মাজে অনুভৱ কৰিছিল। কিন্তু পুনৰ মনৰ ভ্ৰম বুলি বিশেষ ভবা নাছিল কথাটো। যোৱাকালি প্ৰাণজিৎ বাংগালুৰুৰ পৰা ঘৰ পাইছেহি। প্ৰিয়ংকাৰ আনন্দৰ সীমা নাছিল। কিমান দিনৰ পিছত যে তাক দেখা পাব! সি ভালপোৱা নীলা ৰঙৰ চুৰিদাৰযোৰ কেতিয়াবাই ইস্ত্ৰি কৰি ঠিক কৰি থৈছিল তাই। কালি আহি পাই প্ৰাণজিতে তাইক ফোন কৰি আজি আবেলি লগপোৱাৰ কথা কৈছিল। আৰু বিশেষ কথা পতা নাছিল। তাই কথা পাতিব বিচাৰোতেও 'লগ পালে পাতিম' বুলি ক'লে। আজি আবেলি দুয়ো এখন ৰেষ্টুৰেণ্টত লগ হৈছিল। সিচোন একোৱেই কোৱা নাই তাৰ ভাল লগা চুৰিদাৰযোৰ পিন্ধি যাওঁতেও। কিয় সি একো কথাই কোৱা নাই। প্ৰিয়ংকা অধৈৰ্য হৈ পৰিছিল। আৰু সুধিছিল— 'প্ৰাণ, তুমি মোক কিবা বেয়া পাই আছা নেকি?'

'নাই। বেয়া পাই থকা নাই।' প্ৰাণজিতে গহিনাই উত্তৰ দিলে।

'তুমি মোক কিমান ভালপোৱা?' খুব উৎসাহেৰে তাই সুধি দিছিল। তাই ভাবিছিল সি ক'ব—

'সেইটো সুধিবলগীয়া কথা নেকি? তুমি জানো নাজানা?' কিন্তু, প্ৰিয়ংকাক আচৰিত কৰি প্ৰাণজিতে কৈছিল—

'মোক ক্ষমা কৰিবা প্ৰিয়ংকা। তোমাৰ মোৰ সম্পৰ্কটো এটা সপোন বুলি পাহৰি যোৱা।' তাই প্ৰথমে ধেমালি কৰা বুলি ভাবিছিল। কিন্তু, তাইক আৰু আচৰিত কৰি প্ৰাণজিতে কৈছিল তাৰ নতুন প্ৰেমৰ কথা, যি প্ৰেমক তাৰ ঘৰেও মানি লৈছে। প্ৰিয়ংকা বহু সময় থৰ লাগিছিল। সকলো শেষ হৈ গ'ল তাইৰ। কোনো কথাই ক'ব পৰা নাছিল। তাই কান্দিছিল। খুব নিৰ্দয়ভাৱে প্ৰাণজিতে তাইক কৈছিল— 'নাকান্দিবা, মানুহে দেখিলে কি ভাবিব।' এবাৰো নুবুজিলে তাইৰ ভিতৰখনত কি হৈছিল সেই সময়ত। ঘৃণা উপজিছিল তালৈ। প্ৰচণ্ড ক্ষোভ আৰু দুখত তাই উঠি আহিছিল তাৰ পৰা।

সকলো সপোন, আশা, ভৱিষ্যৎ শেষ হৈ গ'ল প্ৰিয়ংকাৰ। পুনৰ কান্দি উঠিল প্ৰিয়ংকা। কান্দি কান্দি এটা সময়ত যেন দুখবোৰ ক্ষোভ হৈ উঠিল, জেদ হৈ পৰিল। নাই, তাই ভাগি পৰিলে নহ'ব। সন্মুখত ফাইনেল পৰীক্ষা। তাই ভালকৈ পঢ়ি কিবা এটা কৰি প্ৰাণজিতক দেখাব লাগিব যে সি নাথাকিলেও তাই শেষ হৈ নাযায়। কাৰোবাক তাইৰ জেদবিলাকৰ কথা ক'বলৈ মন গৈছে, ক'বলৈ মন গৈছে প্ৰতাৰক প্ৰাণজিতৰ কথা। অজয়লৈ মনত পৰিল। সঁচাকৈয়ে প্ৰকৃত বন্ধুত্ব বহুত ওপৰত। অজয়ে যে কৈছিল তাইক আঁকৰী বাবে মানুহে ঠগিব। লাহেকৈ প্ৰিয়ংকাই অজয়ৰ নম্বৰটো ডায়েল কৰিলে।

চুটিগল্প

# দুখৰ জীৱন

**অনামিকা ৰাভা**
স্নাতক পঞ্চম ষাণ্মাসিক, কলা শাখা

মই ৰিণি। বহুত দিনৰ পৰাই আমাৰ গাঁৱৰ পকী ৰাস্তাটো হ'ব বুলি কৈছিল কিন্তু আজিলৈকে হোৱা নাই। বিকিপুল হৈ কেঁচা ৰাস্তাৰে ৪ কিঃ মিঃ মান গ'লে আমাৰ গাঁওখন পায়। গাঁওখনৰ নাম টিৰাং। বৰষুণ বতৰত বোকা মাটি গচকি যাব লাগে। স্কুলত, কলেজত যোৱা ছাত্ৰ-ছাত্ৰীৰ বহুত অসুবিধা। দেখা পালো কেইজনীমান ছোৱালীয়ে বোকা মাটিৰ কাৰণে মেখেলা-চাদৰযোৰ আঁঠুলৈকে দাঙি গৈ আছে। এইবোৰ দেখা পাই মোৰ ন-দহ বছৰৰ আগৰ কথা মনত পৰিল। বিদ্যালয়লৈ অকলে গৈছিলোঁ, আহিছিলোঁ। কোনো বন্ধু-বান্ধৱী নাছিল। আজিও মোৰ কোনো বন্ধু-বান্ধৱী নাই। নাই কোনো জীৱন সংগী। তথাপি চাকৰি এটা কৰি ভালকৈ চলি আছোঁ। যি ল'বলৈ মন যায়, কৰিবলৈ মন যায় কৰি আছোঁ। জীৱনসংগী নাথাকিলেও একো নাই। সৌৰভক ভালকৈ পঢ়ুৱাব পাৰিলেই হ'ল, সিও এদিন ডাঙৰ মানুহ হ'ব।

জীৱনত যে কিমান কষ্ট কৰিব লগা হৈছে! ল'ৰাৰ দৰে ইফালে সিফালে দৌৰিছিলো। এই মুহূৰ্তত মা আমাৰ লগত থকা হ'লে কিমান সুখী হ'লহেঁতেন! কিমান কষ্টেৰে যে মায়ে আমাক ডাঙৰ-দীঘল কৰিলে ভাবিলে বেয়া লাগে।

মই এজনী দুখীয়া ঘৰৰ ছোৱালী। মই সদায় অকলশৰীয়াকৈ থাকি ভাল পাইছিলোঁ। মই দেখাত ক'লা, চুটি-চাপৰ আছিলোঁ। সৌন্দৰ্য বোলা বস্তুটো নায়েই। সৰুতে মোক লগৰীয়াবোৰে 'কাল্টি' বুলি জোকাইছিল। সেই কাৰণে লগৰীয়াবোৰৰ পৰা সদায় আঁতৰত থাকো। আমাৰ পৰিয়ালত আমি মাত্ৰ চাৰিজনেই। সুখী পৰিয়াল বুলিয়ে কয় সকলোৱে। কিন্তু আমাৰ পৰিয়ালটো সুখৰ নহয়। আমাৰ পৰিয়ালত মই, ভাইটি সৌৰভ আৰু মা-দেউতা। দেউতা খেতিয়ক আৰু মা ঘৰৰ ৰান্ধনি। দেউতাই সদায় মদ খাইছিল। এদিনো নোখোৱাকৈ থাকিব নোৱাৰিছিল। দেউতাই সদায় মদৰ নিচাত আহি মাৰ লগত কাজিয়া কৰে, কেতিয়াবা মাক কোবায়। দেউতাই হয়তো কেতিয়াও নুবুজিব বুলি মনত দুখ লাগে। তথাপি পৰিয়ালটো ভালে ৰাখিবৰ কাৰণে চেষ্টা কৰিছিলোঁ। কাৰণ, ভাইটি দেউতাৰ দৰে নহওক, ডাঙৰ হৈ এজন ভাল ল'ৰা হোৱাটো বিচাৰো। কিছুমান ল'ৰা-ছোৱালী মাক-দেউতাক যেনেকুৱা হয়, পিছত তেনেকুৱাই হৈ যায়। দেউতাই যেতিয়া নিচাত বকি থাকে, মোৰ খুব খং উঠিছিল আৰু মাক মাৰিবলৈ বুলি হাত যেতিয়া দাঙে, দৌৰি গৈ দেউতাক দূৰলৈ ঠেলি দিওঁ। দেউতাই নিচাত নিজকে ৰাখিব নোৱাৰি মাটিত ঢলি পৰে। কি হ'ব ভাবি কেৱল কান্দিছিলোঁ। আমাৰ ঘৰ এটাই মাত্ৰ। তাতে কাপোৰ পাৰি সকলোৱে শুইছিলোঁ।



দিন বাগৰিল। কেতিয়া যে দশম শ্ৰেণী পালো গমকে পোৱা নাছিলো। এইবাৰ মনপুতি পঢ়িব লাগিব। মোৰ সপোন কিবা এটা চাকৰি কৰি পৰিয়ালটোক চলোৱা, যাতে পিছত

অভাৱত থাকিব নালাগে। সৰুৰে পৰা কষ্ট কৰিয়ে আহি আছোঁ। কিন্তু যিমানে পৰীক্ষা ওচৰ চাপি আহিল সিমানে আমাৰ ঘৰত মদৰ আড্ডা বাঢ়িবলৈ ধৰিলে। মায়ে দেউতাক বুজালে যে ৰিণিৰ পৰীক্ষা ওচৰ চাপি আহিছে বুলি। কথা ক'বই নোৱাৰি, দেউতাৰ খং উঠে। একো ক'ব নোৱাৰি। এদিনাখন গধূলি মদৰ আড্ডা চলি থাকোতে মই দেউতাৰ বন্ধুবিলাকক ক'লো, "এই ভিতৰুৱা গাঁৱত শিক্ষিত মানুহ আছে জানো?" "নিজৰ ল'ৰা-ছোৱালীবোৰক শিক্ষিত কৰি তুলিব নিবিচাৰেনে?"

দেউতাৰ বন্ধুবোৰে তপৰাই উত্তৰ দিলে, "আমাৰ দৰে কোনোবা শিক্ষিত মানুহ আছে জানো?" দুজনমানে "হয়, হয়" বুলি ক'লে।

মই খঙেৰে ক'লো, "অ' আপোনালোকৰ দৰে কোনো মূৰ্খ মানুহ নাই এই পৃথিৱীত। নিজৰ ল'ৰা-ছোৱালীকো আপোনালোকৰ দৰে এনে জ্ঞান দিবও ভাল হ'ব। আৰু ইয়াৰ পৰা আপোনালোক যাওকগৈ এতিয়া।"

ডাঙৰ মানুহ যদিও ক'বলৈ বাধ্য হ'লোঁ। তেতিয়া তেওঁলোক খঙেৰে বকি বকি ওলাই গ'ল। পিছত দেউতাই মোক গালি পাৰিলে, "মা-বেটা-বেটি যাগৈ মোমায়েকৰ ঘৰত" বুলি ক'লে। তেতিয়া দেউতাৰ কথাই মোৰ কোমল অন্তৰত আঘাত কৰিছিল। ৰাতি মা আৰু মই কান্দিলোঁ, ভাইটিয়ে একো বুজি নাপাই আমাৰ মুখলৈ চাই আছিল। মায়ে মোক বুজালে "দুখ নকৰিবা ৰিণি, ভালকৈ পঢ়ি এদিন ডাঙৰ মানুহ হোৱা। আমি তেতিয়া কষ্টত থাকিব নালাগে।"


বাৰিষা বতৰ আহিল। দেউতা ঢল-পুৱাতে হাল বাবলৈ ওলাই যায়। খেতি নকৰিলেও খাবলৈ নাপাওঁ। মায়ে ভাত ৰান্ধি-বাঢ়ি পথাৰত দেউতাক দি থৈ আহে। মায়ে লাহেকৈ বিধান তোলা, ৰুৱা অকলে কৰি থাকে। তিনি মাহৰ পিছত আমাৰ হাল উঠিল। অৱশ্যে ইমান মাটিও নাছিল আমাৰ।

আহিন মাহ, দুৰ্গা পূজা আহিল। মনটো ভাল লাগিলেও নতুন কাপোৰ নোপোৱাত দুখ লাগি আছে। সকলো ল'ৰা-ছোৱালীকে মা-দেউতাকে কষ্ট কৰি হ'লেও কাপোৰ কিনি দিয়ে। সকলোৱে ৰমকে-জমকে নতুন কাপোৰ কিনিছে, কিন্তু আমাৰ ফুটাকড়িও নাই। তথাপি মায়ে কষ্ট কৰি হ'লেও সৌৰভক আনি দিলে।

এনেকৈয়ে দিনবোৰ বাগৰি গ'ল। পৰীক্ষা ওচৰ পালেহি— সেয়ে ভালকৈ পঢ়িছিলোঁ। বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে মোক মৰম কৰিছিল। কৈছিল লেটাৰ নম্বৰ গোটেই বিষয়তে থাকিব লাগিব বুলি। মই মূৰ দুপিয়াইছিলোঁ।

পৰীক্ষাৰ দিনা পুৱাতে গা-পা ধুই ভগৱানক চাকি-ধূপ জ্বলাই সেৱা এটি কৰিলোঁ। ভাত খাই যি ল'ব লগা আছিল, সকলো ল'লোঁ। মাক সেৱা এটি কৰি পৰীক্ষালৈ ওলালোঁ। পৰীক্ষা কেন্দ্ৰটো কৃষ্ণাইতহে, চাইকেল লৈ ওলালোঁ লগৰ ছোৱালীবোৰৰ লগত। সকলো পৰীক্ষা ভালে ভালেই গ'ল। দুমাহমান পিছত ৰিজাল্ট দিলে। চাৰিটা বিষয়ত লেটাৰ নম্বৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হ'লোঁ। মা-দেউতা সকলোৱে স্ফূৰ্তি। মোৰো ভালে লাগি আছে। ছাৰ বাইদেউহঁতেও মৰমতে মোক মিঠাই খুৱালে। এইবাৰ মাৰ টকাৰ চিন্তা আহিল। দেউতাৰতো চিন্তা নাই। নিজে হাজিৰা কৰি যিখিনি টকা পায়, সেইখিনি মদ খাই শেষ কৰে। মোক যে পঢ়িবলৈ টকাৰ দৰকাৰ খবৰে নাই। মায়ে ওচৰ-পাজৰৰ মানুহবোৰক সুধি চালে, নাই বুলি ক'লে। ভাবিছে হয়তো আমি ঘূৰাই নিদিম বুলি আৰু নিজৰ মানুহবোৰেতো নিদিয়ে। কি কৰিম উপায় নাপাই আত্মহত্যা কৰিবলৈ মন গৈছিল। মা, ভাইটিৰ কাৰণেও আত্মহত্যা কৰিব নোৱাৰোঁ। কেইদিনমানৰ পিছত আমাৰ নিজৰে মানুহ সহায় কৰিবলৈ আগবাঢ়ি আহিল। কলেজত নামভৰ্তি কৰিবলৈ পাইহে মনটো অলপ ভাল লাগিছিল।

জুলাই মাহ গৰম বন্ধ, আগষ্টৰ পৰাহে ক্লাছ হ'ব। মা হাজিৰা কৰিবলৈ যায় মই ভাত বনাই থওঁ আৰু ভাইটিক পঢ়াই দিওঁ। সৌৰভৰো পঢ়াত আগ্ৰহ বেছি। সেই সময়তে মাৰ অসুখ হ'ল। পেটৰ বিষত থাকিব নোৱাৰে। দেউতাক মাতিবলৈ গ'লো, নিচাত শোৱাৰ পৰা উঠিব নোৱাৰে। ওচৰৰ মানুহৰ পৰাও সহায় বিচাৰিলো, আনকি নিজৰ মানুহৰ পৰাও। কিন্তু কোনেও সহায় কৰিবলৈ নাহিল। ভগৱান ইমান নিষ্ঠুৰ নে তুমি? মাৰ অসুখ বেছি হ'বলৈ ধৰিলে। কি কৰিম একো উপায় বিচাৰি নাপাই মাৰ মূৰটো মোৰ কোলাত ৰাখি মই কান্দি থাকিলোঁ। মায়ে কিবা এটা ক'ব খোজে কিন্তু একো ক'ব নোৱাৰে। দুটোপাল চকুপানী বৈ মোৰ কোলাত পৰিল। সেয়াযে কিমান যন্ত্ৰণাদায়ক মই বুজি পাইছিলোঁ। সেই ৰাতিয়ে মায়ে আমাক এৰি এই পৃথিৱীৰ পৰা বিদায় মাগিলে। মই হিয়াঢাকুৰি কান্দিছিলোঁ, সৌৰভেও কান্দিছিল। পুৱা আমি কন্দা-কটা কৰা শুনা পাই গাঁৱৰ মানুহ আহিল, মাক চিতাত উঠাই জ্বলাই দিলে। এসপ্তাহৰ পিছত শ্ৰাদ্ধ গ'ল। তথাপি দেউতাৰ অলপো বেয়া লগা নাই। আগষ্ট মাহ আহিল, এমাহত দুদিনমানহে ক্লাছত উপস্থিত হৈছিলোঁ। ক্লাছত নোযোৱা সময়ত হাজিৰা কৰি যিখিনি টকা পাওঁ, সেইখিনি দিয়ে খাইছিলোঁ আৰু মাজে মাজে কলেজলৈ গৈছিলোঁ। সৰুৰে পৰা খেলা-ধূলা কৰা, স্কুললৈ যোৱা লগৰ কোনো নাছিল। ঠিক তেনেকৈ কলেজতো কোনো বন্ধু-বান্ধৱী নাছিল। মাৰ মৃত্যু হোৱাৰ কেইমাহমানৰ পিছত দেউতাৰো মৃত্যু হ'ল। কি বেমাৰ আছিল ধৰিব পৰা নাছিলোঁ। মোৰ জীৱনত মই কি কি সমস্যাৰ সন্মুখীন হ'লো এইবোৰ কথা কাৰোবাক হয়তো ক'ব পৰা যায়, কিন্তু কোনো নাছিল মোৰ। জীৱন সংগীও নাই। কোনেও পছন্দই নকৰে। এনেকৈ হায়াৰ ছেকেণ্ডাৰী, ডিগ্ৰী পাছ কৰি টেট দিলোঁ। ৰিজাল্ট ভাল হ'ল। টেট পাছ হৈ গাঁৱৰে এম. ভি. স্কুলত চাকৰি পালোঁ। সৌৰভ হায়াৰ ছেকেণ্ডাৰী পঢ়ি আছে। আগৰ অভাৱ এতিয়া নাই। মনত শান্তি অনুভৱ কৰিলেও ক'ৰবাত যেন শূন্যতা! এইবোৰ ভাবি ভাবি দুটোপাল অশ্ৰু হাতত পৰিল। আস্ঃ এয়া বেদনা নে আনন্দ! কিমান সময়নো এইবোৰ ভাবি আছিলোঁ গমেই নাপালোঁ। সৌৰভৰ মাততহে হুঁচ আহিল। গধূলিয়েই হ'ল দেখোন। লাহেকৈ উঠি আহিলোঁ তুলসীৰ গুৰিত চাকি গছি জ্বলাওঁগৈ বুলি।




# ধুমুহাৰ শেষত...

**সুৰজিত ৰয়**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এতিয়া আছে মাথোঁ
তেজৰঙা এখন নদী
মোৰ জীৱনজুৰি বয়
দুখৰে ঢৌ তুলি....

সময় নিশা তেতিয়া ২ বাজিছে। সমগ্ৰ ধৰা নিদ্ৰাদেৱীৰ কোলাত। ৰাজুৰ চকুত আজি টোপনি নাই। দিনৰ ঘটনাটোৱে তাক শুবলৈ দিয়া নাই। ম'বাইলত বাজি উঠা জুবিনৰ গীতটিয়ে পৰিৱেশটো যেন অধিক বিষাদ গধুৰ কৰি তুলিছে। আজি বহুদিন নিৰ্লিপ্ততা আৰু উদাসীনতাৰে সহবাস কৰা ৰাজুৰ চকুত আজি চকুলো। সি ঘূৰি গ'ল তিনি বছৰৰ আগৰ দিনবোৰলৈ।

ৰাজুৰ চকুত ভাঁহি আহিল সিহঁতৰ সৰু ঠাইখনৰ প্ৰকৃতিৰ সৌন্দৰ্যৰে ভৰপূৰ মৰমৰ কলেজখনলৈ। আজিও তাৰ মনত পৰে সেই বিশেষ দিনটোলৈ...। চাৰিওফালে সৰু-বৰ গছ আৰু তাত ৰমকজমকৈ ফুলি উঠা কৃষ্ণচূড়া, সোণাৰু, এজাৰবিলাকে যেন হাতবাউলি মাতিছে সেই ফুলৰ মেলালৈ। বিশাল চৌহদৰ একোণৰ পুখুৰীটোত বতাহজাকে কোবাই তাৰ পানীবিলাক যেন নচুৱাইছে। এনে যৌৱনোচ্ছল পৰিৱেশে ৰাজুৰ ভয়-শংকা মিহলি প্ৰথমদিনটোক যেন নিমিষতে

খেদি পঠিয়ালে আৰু তাক এখন নতুন জগতত থিয় কৰালে। বহু বন্ধু-বান্ধৱীৰ সৈতে চিনাকি হোৱা তেতিয়াৰ সপ্ৰতিভ তজবজীয়া ল'ৰাটোৱে কিন্তু 'তৃষা' নামটো আৰু সেই প্ৰাণোচ্ছল হৰিণী নয়নাক বিশেষভাৱে মনত ৰাখিলে। প্ৰথম ৰন্ধুত্বৰে আৰম্ভ হ'ল দুয়োৰে সময়বিলাক। সি কিবা ক'ম বুলি ভাবি থাকোতেই তৃষাই এদিন তাক আচৰিত কৰি পোনপটীয়াকৈ কৈ দিলে যে তাই ৰাজুৰ অবিহনে তাইৰ জীৱনটো কল্পনা কৰিব নোৱাৰে। বহুত বেছি ভাল পাই পেলাইছে ৰাজুক তাই। সি প্ৰথমে সংকুচিত হ'ল, ভাবিলে পাৰিব জানো এই সম্পৰ্ক জীয়াই ৰাখিব? কিন্তু তৃষা আঁকোৰগোজ। তাই গোটেই জীৱন আৰু বহু জনমৰ লগৰী হোৱাৰ সপোন দেখুৱালে। ছমাহমান ভালদৰেই পাৰ হ'ল। এদিন তৃষাক নেদেখিলেই বহু বছৰ যেন লগা হ'ল। তায়ো ঠিক তেনে ভাৱেই দেখুৱালে তাক। ক্লাছ নকৰাকৈ বাহিৰত সময়বিলাক পাৰ কৰিবলৈ ভাল লগা হ'ল। কিন্তু এদিন হঠাতেই এই সম্পৰ্কৰ ক'ৰবাত যেন আউল লাগিল। ৰাজু দুসপ্তাহমান নৰিয়াত পৰিল, কলেজ যাব পৰা নাই। দেহৰ কষ্টতকৈও তৃষাক নেদেখাকৈ থকাৰ মনৰ কষ্টতহে সি ধৰফৰাই থাকিল। ১৫ দিনৰ পিছত সি যেতিয়া কলেজলৈ গ'ল, তৃষাক দেখা পাই তাৰ দুৰ্বলতা যেন নিমিষতে নোহোৱা হ'ল। কিন্তু সি মন কৰিলে, তৃষা যেন অলপ গহীন হৈছে। তাই সুধিবলগীয়া খবৰ বাতৰিখিনি সুধি বৰ বেছি কথা কোৱা নাছিল সেইদিনা। ৰাজুৰে কথাটো প্ৰথমে পাতলকৈয়ে লৈছিল। লাহে লাহে গহীন ভাবটো যেন বাঢ়ি গৈ থাকিল। তাইৰ এনে আচৰণৰ বাবে সিয়ো কেইদিনমান তাইক এৰাই চলিলে। কিন্তু ধৈৰ্য হেৰুৱাই তাইক এদিন জোৰ জবৰদস্তি সি সুধিলে তাইৰ এনে আচৰণৰ কাৰণ? তাই কিন্তু বিশেষ একো নক'লে। মাথো ক'লে— সিহঁত আৰু এই সম্পৰ্কটোৰ পৰা আঁতৰি যোৱাই ভাল। তাই ৰাজুক আৰু এই সম্পৰ্কটোৰে আগুৱাই নগৈ ইমানতে ইতি পেলোৱাৰ কথা ক'লে। ৰাজু হতভম্ব হ'ল। তাইৰ পৰা সি অলেখ চেষ্টা কৰিও কাৰণটো উলিয়াব নোৱাৰিলে। এইবাৰহে যেন ৰাজু নৰিয়াত পৰিল। হতাশা, বেজাৰে তাক ভাৰাক্ৰান্ত কৰিলে। কলেজ অনিয়মীয়া হ'ব ধৰিলে, পৰীক্ষাত অৱতীৰ্ণ নহ'ল। মুঠতে সি যেন এটা শামুকৰ খোলাতহে বন্দী হৈ গ'ল। নিজৰ কোঠাটোতেই যেন তাৰ পৃথিৱী, নিৰ্লিপ্ত, উদাস। ইমানবিলাক দুখৰ পাছতো ৰাজুৱে কান্দিব নোৱাৰিলে। সি যেন এটা শিললৈ পৰিণত হ'ল।

দিনবোৰ বাগৰিল। ৰাজুৱে সেইখন কলেজ বাদ দি আন এখন কলেজত এডমিচন ল'লে। পঢ়াশুনাত লাহে লাহে পুনৰ মন বহুৱাবলৈ চেষ্টা কৰিলে। নতুন বন্ধু-বান্ধৱীবিলাকৰ লগত চিনাকি হ'ল, কিন্তু আজিৰ ৰাজু আগৰ সেই প্ৰাণোচ্ছল ৰাজু নহয়। বন্ধু-বান্ধৱীৰ গতানুগতিক প্ৰেম, যৌৱন বিষয়ক আড্ডাবিলাকত সি আজিকালি ভাগ নলয়। তাৰ সলনি কলেজৰ গ্ৰন্থাগাৰৰ একোণত বহি ক্লাছ নথকা সময়বিলাকত কিতাপত মূৰ গুজি থাকে। ঘৰতো কিতাপ আৰু গানৰ মাজতে সময় কটায়। মাজে সময়ে দুজনমান বন্ধুৰ সৈতে গান আৰু কিতাপ সম্পৰ্কীয় আলোচনাত বহে। গানে যেন তাক জীয়াই থকাৰ এক নতুন প্ৰেৰণা যোগাইছে। কিন্তু মাজে মাজে তাৰ মনত এটা প্ৰশ্নই বাৰে বাৰে খুন্দিয়াই থাকে। কেনেদৰে বাৰু মানুহে কোনো কাৰণ নোহোৱাকৈ কাৰোবাক আধাবাটতে এৰি থৈ যায়? তৃষাই কিয় বাৰু এবাৰো নক'লে তাৰ ভুলৰ কথা? এই প্ৰশ্নবোৰৰ মাজতো আজিকালি সি সময়বিলাক অলপ বেলেগ ধৰণে কটাব খোজে। গান, কিতাপৰ মাজতে জীৱনৰ সন্ধান বিচাৰে।

আজি ভালেকেইদিনমানৰ মূৰত ৰাজু ঘৰৰ পৰা ওলাই আহিছিল। পৰীক্ষা শেষ হ'ল। লগৰ এজনৰ পৰা গানৰ সংগ্ৰহটো লৈ ঘূৰি আহোঁতে ঠিক তিনিআলিটোৰ মূৰতেই ঠিক বিপৰীত দিশৰ পৰা অহা এখন বাইকত তাৰ চকু পৰিল। বিস্ফোৰিত নেত্ৰেৰে সি সেইফালে চালে। সেইজনী তৃষা... এজন ল'ৰাৰ লগত অতি অন্তৰংগতাৰে আৰু দৃষ্টিকটুভাৱে বহি তাৰ চকুৰ আগেদিয়েই পাৰ হৈ গ'ল। ৰাজুক ইতিকিং কৰি যেন সিহঁতৰ হৰ্ষোল্লাস আৰু অট্টহাস্য দূৰ দূৰণিৰ বতাহত বিয়পি পৰিল। তাই ৰাজুলৈ চাই নেদেখাৰ ভাও ধৰিলে। চিৰজীৱনৰ লগৰী হ'ম বুলি প্ৰতিশ্ৰুতি দিয়া তাৰ তৃষা আজি বেলেগ এজনৰ সৈতে আনন্দত মচগুল। সি নিজৰ চকুকেই যেন বিশ্বাস কৰিব নোৱাৰিলে। ততাতৈয়াকৈ ঘৰলৈ আহিয়েই সি নিজৰ কোঠাত সোমাই পৰিল। আজি যেন সি বহু প্ৰশ্নৰ উত্তৰ বিচাৰি পালে। তিনি বছৰৰ আগৰ সময়বিলাক আজি তাৰ মূল্যহীন যেন বোধ হ'ল। সি কিমান মুৰ্খ আৰু অপৈণত আছিল! তৃষা নামটো আজি সি এক জীৱনৰ দুৰ্ঘটনা বুলি জ্ঞান কৰিলে। আজি সি হেঁপাহ পলুৱাই কান্দিছে। তৃষাৰ মৰমবিলাক যেন অভিনয়হে আছিল। কান্দি কান্দি এসময়ত সি শান্ত হ'ল। হে যোৱা ঘটনাবিলাক মনৰ পৰা জোকাৰি পেলালে। সি আজি সংকল্প ল'লে এতিয়াৰ পৰা সময়বিলাক পাৰ কৰিব মাথোঁ জ্ঞান অন্বেষণত। আজিৰ পৰা সি আগৰ দৰেই পুনৰ স্বাভাৱিক আৰু তজবজীয়া ৰাজুটো হ'বলৈ চেষ্টা কৰিব। নিজকে সমাজত সৎ আৰু সফল ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰিব।

খিৰিকীৰে পূৱৰ আকাশখনলৈ চাই পঠিয়ালে সি। বেলিটিয়ে দিনটোৰ বাবে নিজকে ৰিণিকি ৰিণিকি ৰঙচুৱা আভাৰে সাজু কৰিছে। সিও অপেক্ষা কৰি থাকিল এটা নতুন দিনলৈ বহু ন আশাৰে। গীতৰ সংগ্ৰহটোত বাজি থাকিল জুবিনৰ বিখ্যাত গানটো...

"পাখি পাখি এই মন....
পাখি লগা মোৰ মন,
পাখি মেলি যা উৰি......"

চুটিগল্প



# আত্মোপলব্ধি

**নৱনীতা খাখলাৰী**
স্নাতক দ্বিতীয় যাণ্মাসিক, ইংৰাজী বিভাগ

গে'টখন খুলি সৌৰভে চাইকেলখন ঠেলি পদূলিৰে সোমাই গ'ল। জেওৰাখনত চাইকেলখন আওজাই থৈ সি বাৰাণ্ডালৈ চকু দিলে। বিবেকে বাতৰি কাকত পঢ়ি আছিল। ককায়েকক দেখি সৌৰভৰ মনটো সেমেকি উঠিল। কেতিয়া কি হ'ল, কিয় হ'ল সিহঁতৰ ভাই-ককাইৰ সম্পৰ্কৰ এনে ছন্দপতন! এই ভাববোৰে সৌৰভক জুৰুলা কৰে। সেইবাবেই সি দিনটো ঘৰৰ বাহিৰত কটায়।

'আহিলি? ভাত খাই ল'বি, মই খালোঁ।' —সি সোমাই যোৱাত বিবেকে মাত লগালে। সৌৰভে 'ও' বুলি লাহেকৈ কৈ ভিতৰলৈ সোমাই গ'ল।

ভাত খাই বিচনাত বাগৰ দি সৌৰভ পুনৰ চিন্তাত মগন হ'ল। চাৰি বছৰৰ আগৰ কথা। সি সেইবাৰ মেট্ৰিক পৰীক্ষা দিয়াৰ কথা। এটা পথ দুৰ্ঘটনাত মাক-দেউতাকৰ মৃত্যু হৈছিল। বি. এ. পাছ কৰি ঘৰতে থকা বিবেকে শোক পাহৰি ঘৰৰ সমস্ত দায়িত্ব পালন কৰিছিল। ভায়েকৰ দায়িত্ব লৈছিল আৰু তাক পিতৃ-মাতৃৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। কিন্তু আজি কেইমাহমান ধৰি বিবেকৰ আগৰ উদ্যম নোহোৱা হৈ গৈছে। ভায়েক, ঘৰুৱা দায়িত্বৰ প্ৰতি কোনো মনোযোগ নোহোৱা হৈ গৈছে। আনকি সৌৰভৰ লগত বিশেষ দৰকাৰ নহ'লে কথাও নাপাতে। ককায়েকৰ এনে পৰিৱৰ্তনৰ কোনো কাৰণ সৌৰভে ধৰিব পৰা নাই। ককায়েকক সি ইয়াৰ কাৰণ সম্পৰ্কেও একো সুধিব পৰা নাই। যিয়ে দুয়োজনৰ মাজত দূৰত্ব আৰু যেন বঢ়াই আনিছে। সৌৰভে ভাবিলে— নাই এনেকৈ আৰু নহ'ব। ককায়েকক এই বিষয়ে সি খোলাখুলিকৈ সুধিবই লাগিব।

গধূলি বজাৰৰ পৰা আহোতে সৌৰভে লক্ষ্য কৰিলে বিবেকে কিতাপ এখন পঢ়ি আছে। কিন্তু, তাৰ মনটো যেন অশান্ত। তাৰ চকুত এক উদাসীন চাৱনি। 'দাদা, কি হ'ল তোৰ? কিয় এনেকৈ থাক আজিকালি?' সৌৰভৰ প্ৰশ্নৰ কোনো উত্তৰ নিদি বিবেকে কিতাপখনৰ পৃষ্ঠাহে লুটিয়ালে, যেন মনোযোগেৰে কিতাপ পঢ়ি আছে। কিন্তু সৌৰভৰ চকুৰ পৰা বিবেকে কিতাপখন ওলোটাকৈ লোৱাটো সাৰি নগ'ল।

সৌৰভৰ প্ৰশ্নই দৰাচলতে বিবেককো ভাবিবলৈ বাধ্য কৰালে কিয় সি আজিকালি উদাসীন হৈ গৈছে। কিয় ভায়েকৰ প্ৰতি, নিজৰ প্ৰতি তাৰ দায়িত্ববোধ কমি গৈছে। হয়তো জীৱনৰ বহুতো নভবা সাঁথৰৰ দৰে ইয়ো এক সাঁথৰ, যাৰ কোনো উত্তৰ নাই। তাৰ দেউতাকলৈ মনত পৰিল। সৰুতে খেলোঁতে পৰিলে দেউতাকে উঠাই দি তাক কৈছিল, 'বিবেক, আমি কিয় পৰো জানানে? যাতে আমি দুগুণ শক্তিৰে উঠি আগুৱাব পাৰো।' দেউতাকৰ সেই কথাষাৰ মনত পৰাত বিবেকৰ মন দৃঢ় হৈ পৰিল। এনেকৈ নহ'ব। সি পুনৰ আগৰ বিবেক হ'ব লাগিব। ভায়েকক মানুহ কৰিব লাগিব। আত্মোপলব্ধিৰ মুহূৰ্তটো জীয়াই ৰাখি বিবেকে সৌৰভক আঁকোৱালি ল'লে। সৌৰভেও যেন কিবা বুজি উঠিল। সেই সময়ত ৰান্ধনী বেলিটিয়ে সিহঁতৰ চোতাল ৰাঙলী কৰি তুলিছিল।

# দুধনৈ মহাবিদ্যালয়ত
# অসম কলেজ শিক্ষক সংস্থাৰ অধিৱেশন

**ভিন্ন অনুভৱ**

২০১৬ বৰ্ষৰ ২৭, ২৮, ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে অসম কলেজ শিক্ষক সংস্থাৰ ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশনখনি চাৰিদিনীয়া কাৰ্যসূচীৰে দুধনৈ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষক গোটক প্ৰতিনিধিত্ব কৰি আমাৰ মহাবিদ্যালয়ত গোটখোৱা কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী তথা অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াৰ অভিজ্ঞতা আৰু অনুভৱৰ বিষয়ে আলোচনী বিভাগৰ তৰফৰ পৰা জানিবলৈ বিচৰা হৈছিল। তাৰেই কিছু অনুভৱ তেখেতসকলৰ ভাষাৰে—

















# অভ্যৰ্থনা সমিতিৰ সম্পাদক হিচাপে অভিজ্ঞতা

**তৰুণ চন্দ্ৰ চাংমাই**

সম্পাদক, অভ্যৰ্থনা সমিতি, অসম কলেজ শিক্ষক সংস্থাৰ ৬৩সংখ্যক বাৰ্ষিক অধিৱেশন আৰু সহযোগী অধ্যাপক, দুধনৈ মহাবিদ্যালয়

অসমৰ বৌদ্ধিক আৰু উচ্চ শিক্ষা জগতখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত অসমৰ অন্যতম আগশাৰীৰ জাতীয় সংগঠন অসম কলেজ শিক্ষক সংস্থাই জন্মলগ্নৰে পৰা বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে। এনে এটি সংগঠনৰ ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশন অসম কলেজ শিক্ষক সংস্থাৰ গোৱালপাৰা মণ্ডলৰ উদ্যোগত আৰু দুধনৈ মহাবিদ্যালয় শিক্ষক সংস্থা তথা স্থানীয় ৰাইজৰ সহযোগত দুধনৈ মহাবিদ্যালয়ত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। অধিৱেশন সাফল্যমণ্ডিত কৰিবলৈ গোৱালপাৰা মণ্ডলৰ অধীনস্থ মহাবিদ্যালয়ৰ সদস্য-সদস্যা, অধ্যক্ষসকল আৰু স্থানীয় ৰাইজৰ উপস্থিতিত ২১-৬-২০১৬ ইং তাৰিখে দুধনৈ মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হোৱা সাধাৰণ সভাই, দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপাল ফুকনক সভাপতি, গোৱালপাৰা মণ্ডলৰ সভাপতি তথা গোৱালপাৰা মহাবিদ্যালৰ সহযোগী অধ্যাপক ৰমেশ চন্দ্ৰ বৰ্মনক কাৰ্যকৰী সভাপতি আৰু এই লেখকক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰি ১৫ খন উপ-সমিতিসহ এখন অভ্যৰ্থনা সমিতি গঠন কৰি দিয়ে। প্ৰায় ২৩ লাখ টকা বাজেটেৰে অনুষ্ঠিত হোৱা এই অধিৱেশনখনি আকৰ্ষণীয় আৰু সু-শৃংখলিত হোৱা বুলি দাঙি ধৰা ভিন্নজনৰ মতামতে আমাক উৎসাহিত কৰিছে।

অধিৱেশনৰ চাৰিদিনীয়া কাৰ্যসূচীৰ কাৰ্যক্ৰমণিকা আছিল এনে ধৰণৰ—

২৭/১২/২০১৬ ইং তাৰিখৰ সন্ধিয়া প্ৰতিনিধি শিবিৰ মুকলি কৰে গোৱালপাৰা জিলা উপায়ুক্তৰ প্ৰতিনিধি ৰংজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মাননীয় শ্ৰীশ্যামন্ত বৰাদেৱে। ২৮/১২/২০১৬ ইং তাৰিখৰ আগবেলাৰ কাৰ্যসূচীসমূহৰ ভিতৰত আছিল— পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গ্ৰন্থমেলা, প্ৰদৰ্শনী আৰু শৈক্ষিক অধিৱেশন। ইয়াৰে পতাকা উত্তোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰা সমবেত সংগীত আৰু দুধনৈ মহাবিদ্যালয় আৰু স্থানীয় বিদ্যালয়সমূহৰ পৰা অহা মাৰ্শ্ব পাষ্ট দলকেইটিৰ কুচকাৱাজ আৰু অভিবাদন আছিল অতি মনোমোহা। সংস্থাৰ মূল পতাকা উত্তোলন কৰে সভাপতি নৰেন চাংমাদেৱে। গোৱালপাৰা মণ্ডলৰ আটাইকেইখন মহাবিদ্যালয়ৰ নিজ নিজ পতাকা উত্তোলন কৰে ক্ৰমে ড° গোপাল ফুকন, দুধনৈ মহাবিদ্যালয়, ড° কাছিম আলী, গোৱালপাৰা মহাবিদ্যালয়, ড° মলীনা দেৱী ৰাভা, বিকালী মহাবিদ্যালয়, ড° মণ্টু কুমাৰ দাস, হাব্ৰাঘাট মহাবিদ্যালয়, ড° দেবেন্দ্ৰ নাথ শৰ্মা, ৰেষ্ট গোৱালপাৰা মহাবিদ্যালয়, ড° আব্দুল্লা চাহেবুদ্দিন, লক্ষীপুৰ মহাবিদ্যালয়, ড° গংগেশ কলিতা, দলগোমা আঞ্চলিক মহাবিদ্যালয়, আব্দুল মান্নান, জলেশ্বৰ মহাবিদ্যালয়। স্মৃতি তৰ্পণ কৰে সংস্থাৰ সাধাৰণ সম্পাদক বিশ্বজিৎ ভূঞাদেৱে। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ তৰুণ চন্দ্ৰ ৰাভাদেৱে। শৈক্ষিক অধিৱেশনৰ বিষয় আছিল— "Feasibility of choice based credit system in the present context of collegiate education in Assam." এই অধিৱেশন উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেক্টৰ ড° হৰি প্ৰসাদ শৰ্মাদেৱে। গ্ৰন্থ উন্মোচনী সভাৰ উন্মোচকসকল ক্ৰমে অধ্যাপক কৃষ্ণগোপাল ভট্টাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যাপক বিৰিঞ্চি মেধি, গুৱাহাটী বিশ্ববিদ্যালয়, ক্ষীৰোদ খাখলাৰী, প্ৰাক্তন উপাধ্যক্ষ, দুধনৈ মহাবিদ্যালয় আৰু ড° গংগেশ কলিতাই বক্তব্য ৰাখে। গ্ৰন্থসমূহৰ ভিতৰত অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ ‘গোৱালপাৰাৰ সুবাস’ও উন্মোচন কৰে। ইয়াৰ পিছতে গোৱালপাৰা মণ্ডলৰ অধীনস্থ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বাৰ্ষিক বক্তৃতানুষ্ঠানত ‘প্ৰস্তাৱিত শিক্ষা নীতি’ৰ ওপৰত বক্তব্য ৰাখে AIFUCTOৰ প্ৰাক্তন সাধাৰণ সম্পাদক অধ্যাপক অশোক বৰ্মনদেৱে। সন্ধিয়া প্ৰথম প্ৰতিনিধি সভা উদ্বোধন কৰে AIFUCTOৰ সাধাৰণ সম্পাদক অধ্যাপক অৰুণ কুমাৰ দেৱে। প্ৰথম প্ৰতিনিধি সভাত আদৰণি ভাষণ পাঠ কৰে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক তৰুণ চন্দ্ৰ চাংমায়ে। সভাৰ আৰম্ভণিত অসমৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে পঠিওৱা শুভেচ্ছামূলক চিঠি পাঠ কৰে। প্ৰতিনিধি সভাত AIFUCTOৰ উত্তৰ পূৰ্বাঞ্চলৰ সাংগঠনিক সম্পাদক মহেন্দ্ৰ সিং ডাঙৰীয়াইও ভাষণ প্ৰদান কৰে।

প্ৰতিনিধি সভাৰ অন্তত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে নাট্যকাৰ শুক্ৰাচাৰ্য ৰাভাদেৱে।

২৯/১২/২০১৬ ইং তাৰিখে দিনজোৰা কাৰ্যসূচীৰে প্ৰতিনিধি সভা অনুষ্ঠিত হয়।

৩০/১২/২০১৬ ইং তাৰিখে আগবেলা শেষৰখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। পিছবেলা মুকলি সভাত সভাপতিত্ব কৰে সংস্থাৰ সভাপতি নৰেন চাংমাইদেৱে। মুকলি সভাত উপস্থিত থকা নিমন্ত্ৰিত অতিথিসকল আছিল ক্ৰমে— ড° মৃদুল হাজৰিকা, উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়, ড° হিতেশ ডেকা, উপাচাৰ্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ড° বলেন্দ্ৰ কুমাৰ দাস, সভাপতি, অসম কলেজ অধ্যক্ষ পৰিষদ, চাহাবুদ্দিন আহমেদ, বিধায়ক জলেশ্বৰ সমষ্টি, দীপক কুমাৰ ৰাভা, বিধায়ক, দুধনৈ সমষ্টি আৰু ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, মুখ্য উপদেষ্টা, সদৌ অসম ছাত্ৰ সন্থা। মুকলি সভাত আদৰণি ভাষণ পাঠ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি ড° গোপাল ফুকনদেৱে।

ড° তপন কলিতাক ৰিটাৰ্ণিং বিষয়া হিচাপে লৈ গঠিত হোৱা নিৰ্বাচনী কমিটীয়ে সুন্দৰভাৱে নিৰ্বাচন পৰিচালনা কৰি অধিৱেশন সাফল্যমণ্ডিত কৰাত সহযোগিতা আগবঢ়ায়।

অধিৱেশন এখন সফল হোৱাৰ মূলতে আছে অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া আৰু উপ-সমিতিসমূহৰ আন্তৰিক কৰ্তব্যনিষ্ঠা। সকলো উপ-সমিতিয়ে সুন্দৰকৈ নিজ নিজ দায়িত্ব পালন কৰাৰ বাবেহে অধিৱেশনখনি সফলতাৰে সমাপ্তি ঘটিল। এই ছেগতে এই অভাজনে সকলোলৈকে আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

# দুধনৈ মহাবিদ্যালয়ত এভুমুকি

**হৰেণ চুতীয়া**

সহযোগী অধ্যাপক,
বিহপুৰীয়া মহাবিদ্যালয়
উপ-সভাপতি, অসম
কলেজ শিক্ষক সংস্থা

অসম কলেজ শিক্ষক সংস্থাৰ ৬৩ সংখ্যক ৰাজ্যিক অধিৱেশনত অংশগ্ৰহণৰ উদ্দেশ্যে বিগত বছৰৰ ডিচেম্বৰ মাহৰ এটি সন্ধিয়া দুধনৈ মহাবিদ্যালয়ত উপস্থিত হৈছিলোঁ। শিক্ষক-ছাত্ৰ-স্বেচ্ছাসেৱক সমন্বিতে সকলোৰে আদৰ-আপ্যায়নত তিনিটা দিন আনন্দেৰে অতিবাহিত কৰিলোঁ নৱনিৰ্মিত ছাত্ৰাবাসৰ এটি সুন্দৰ কোঠালিত।

সকলোৰে সমূহীয়া প্ৰচেষ্টাত অধিৱেশনখনি সফল হৈ উঠিল। বিশাল খেলপথাৰ, আলোক সজ্জিত চাৰিদিনীয়া সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰ, সুন্দৰ প্ৰাকৃতিক পৰিৱেশ, স্থায়ী সৰস্বতী মূৰ্তি, পাহাৰ-ভৈয়াম সংগমস্থলীত অৱস্থিত বিদ্যা মন্দিৰটিৰ সামগ্ৰিক শৈক্ষিক বাতাৱৰণ লোভনীয়। খোলা মনৰ অধ্যক্ষগৰাকীয়ে শীতৰ পৰা পৰিত্ৰাণ পাব পৰাকৈ ডাঙৰকৈ জুই ধৰি অভ্যাগত প্ৰতিনিধিক স্বাগতম জনোৱাতো এক বিৰল আকৰ্ষণ। টুপি আৰু ট্ৰেকচ্যুট পিন্ধি মহাবিদ্যালয়ৰ চাৰিদিশ পৰিষ্কাৰ কৰি আৱৰ্জনা দূৰ কৰাৰ লগতে গৰু-গাই খেদি গৃহস্থি পৰিৱেশ নিকা কৰাৰ কামত ব্যস্ত থকা লোকজনেই হ'ল মহাবিদ্যালয়ৰ অধ্যক্ষ। অভ্যৰ্থনা সমিতিৰ ধেমেলীয়া আৰু বিনয়ী আবেদনে সামান্য অসুবিধাকো পাহৰাই সুন্দৰভাৱে কৰা আপ্যায়ন সঁচাই অনুকৰণীয়। স্বেচ্ছাসেৱক ৰূপত ছাত্ৰ-ছাত্ৰীসকলে পথত ঠিয় হৈ নিৰৱচ্ছিন্নভাৱে অভ্যাগত প্ৰতিনিধিসকলক জনোৱা আদৰণি কাৰ্যই তেওঁলোকৰ ধৈৰ্য আৰু কৰ্তব্যনিষ্ঠাৰ পৰিচয় দিয়ে। অভিবাদনৰ বাবে প্ৰায় এশ-ডেৰশ শিল্পীৰে গঠিত সমবেত সংগীতৰ দলটিয়ে সকলোকে আকৰ্ষণ কৰাই নহয়— দুধনৈ মহাবিদ্যালয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ তাক প্ৰতীয়মান কৰিলে। দুধনৈ মহাবিদ্যালয় হ'ল— ভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ স্থল। সৌভাগ্যক্ৰমে আমি ইয়াত এভুমুকি মাৰিবলৈ সুবিধা পালোঁ। বন্দিতাহঁতৰ দৰে দক্ষ শিক্ষক-শিক্ষয়িত্ৰীৰে ভৰপূৰ দুধনৈ মহাবিদ্যালয় হওক পাহাৰ-ভৈয়ামৰ একতাৰ পৃষ্ঠভূমি। জয়তু দুধনৈ মহাবিদ্যালয়।

> **"স্বেচ্ছাসেৱক ৰূপত ছাত্ৰ-ছাত্ৰীসকলে পথত ঠিয় হৈ নিৰৱচ্ছিন্নভাৱে অভ্যাগত প্ৰতিনিধিসকলক জনোৱা আদৰণি কাৰ্যই তেওঁলোকৰ ধৈৰ্য আৰু কৰ্তব্যনিষ্ঠাৰ পৰিচয় দিয়ে।**

# দুধনৈ এক স্মৰণীয় স্মৃতি

**তুলসী দাস**

সাধাৰণ সম্পাদক, অসম কলেজ শিক্ষক সংস্থা

গোৱালপাৰা জিলাৰ দুধনৈত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক অধিৱেশনখন আমাৰ বাবে বহু দিশৰ পৰা স্মৰণীয়। ২০১৬ বৰ্ষৰ ৩০ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা সংস্থাৰ বিভিন্ন পদবীৰ বাবে হোৱা নিৰ্বাচনত আমি সাধাৰণ সম্পাদকৰ পদবীলৈ নিৰ্বাচিত হৈ সংস্থাক সেৱা কৰাৰ সুযোগ লাভ কৰোঁ। সেয়ে দুধনৈত কটোৱা চাৰিটা দিন আমাৰ বাবে সদায়ে স্মৰণীয় হৈ ৰ'ব। এই আপাহতে আমি দুধনৈ কলেজৰ অধ্যক্ষ প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজ আৰু সংশ্লিষ্ট অন্য সকলোলৈকে আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ। লগতে অসম কলেজ শিক্ষক সংস্থাৰ গোৱালপাৰা মণ্ডলৰ সমূহ বিষয়ববীয়া, সদস্য-সদস্যা, বিভিন্ন ধৰণে সহযোগিতা আগবঢ়োৱা বিভিন্ন ব্যক্তি-সংগঠন, প্ৰচাৰ মাধ্যমৰ ব্যক্তিসকল, অহৰ্নিশে সেৱা আৰু আপ্যায়ণত ব্ৰতী থকা মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা অন্যান্য সকলোলৈকে আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ। দুধনৈ কলেজত লাভ কৰা মৰম, আতিথ্য আৰু এই কলেজৰ পবিত্ৰ ভূমিতে অসম কলেজ শিক্ষক সংস্থাক সেৱা কৰিবলৈ লাভ কৰা সুযোগ সদায়ে মনত থাকিব। দুধনৈ কলেজৰ স'তে জড়িত সকলোৰে মংগল আৰু উন্নতি কামনা

# দুধনৈ মহাবিদ্যালয়ৰ এটি মিঠা অনুভূতি

**ড° অঞ্জলি নাথ**

বৰপেটা ছোৱালী মহাবিদ্যালয়

নামনি অসমৰ এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হ'ল গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে মই দুধনৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম কলেজ শিক্ষক সংস্থাৰ ৬৩তম অধিৱেশনখনিৰ বাবে গৌৰৱান্বিত। ইংৰাজী বৰ্ষ ২০১৬ চনৰ ২৭, ২৮, ২৯ আৰু ৩০ তাৰিখত সম্পন্ন হোৱা অধিৱেশনত অংশগ্ৰহণ কৰি মই আপ্লুত হৈ পৰিছিলোঁ। তাহানিৰ মহাবিদ্যালয়খনৰ লগত আজিৰ মহাবিদ্যালয়খনৰ যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা গ'ল। সুন্দৰ পৰিৱেশ। গোৱালপাৰা মণ্ডলৰ সমূহ শিক্ষক, কৰ্মচাৰীৰ আন্তৰিক মনোভাব আৰু অতিথিপৰায়ণতাই এক অনাবিল আনন্দ দিছিল। অৱশ্যে, এটা কথা স্বীকাৰ কৰিবই লাগিব যে দুধনৈ অঞ্চলত হোৱা যিকোনো অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত দুধনৈবাসী ৰাইজৰ অৰিহণা অনস্বীকাৰ্য। এটা পৰিয়ালৰ সদস্যৰ নিচিনাকৈ সকলোৱে আন্তৰিকতাৰে দায়িত্ব পালন কৰে।

মহাবিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক লগ পাই অতিশয় আনন্দিত হ'লোঁ। কলেজীয়া জীৱনৰ সুন্দৰতম স্মৃতিবোৰ অনুধাৱন কৰাৰ এটা সুযোগ পালোঁ। শিক্ষাগুৰু ছাৰ-বাইদেউসকলৰ আন্তৰিকতাই মোক উৎসাহিত কৰিলে। সঁচাকৈয়ে, আমাৰ মাজত থকা গুৰু-শিষ্যৰ সম্পৰ্ক বৰ্তমান সময়ত বিৰল। এই ছেগতে অৱসৰপ্ৰাপ্ত ছাৰ-বাইদেউসকলৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

বিভিন্ন মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰিবলৈ অহা শিক্ষকসকলৰ প্ৰতিও আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। তেখেতসকলৰ মাজৰ কে'বাগৰাকী শিক্ষকে অধিৱেশনৰ পৰিপ্ৰেক্ষিতত দুধনৈ মহাবিদ্যালয়ৰ গুণ-গৰিমা লিখি প্ৰকাশ কৰা বাতৰি কাকতত দেখিবলৈ পাই মনটো প্ৰশান্তিত ভৰি পৰিছিল।

অৱশ্যে যিকোনো কাৰ্যৰে ইতিবাচক আৰু নেতিবাচক দিশ থাকেই। সেয়ে, অধিৱেশনখনৰ কিছু নেতিবাচক দিশো প্ৰকাশ পাইছে। যেনে— আলোচনা চক্ৰত শিক্ষকৰ উপস্থিতি তেনেই নগণ্য, সময়মতে অনুষ্ঠান অনুষ্ঠিত নকৰা, খোৱাৰ টেবুললৈ গৈ অনাকাংক্ষিত আচৰণ প্ৰদৰ্শন কৰা (কিছুমানহে, সকলোৱে নহয়), ইলেকচন সংক্ৰান্তত কিছু খেলিমেলি ইত্যাদি বিভিন্ন ক্ষেত্ৰত নেতিবাচক দিশটো প্ৰকাশ পাইছে।

যিয়েই নহওক, সামান্য নেতিবাচক দিশে দুধনৈ অধিৱেশনক ম্লান কৰিব নোৱাৰে। অসমৰ অতি পিছপৰা জিলা বুলি সঘনাই উচ্চাৰিত হোৱা গোৱালপাৰাৰ দুধনৈত অনুষ্ঠিত অধিৱেশনখনিয়ে গোৱালপাৰা জিলাৰ নাম উজ্বলাই তুলিলে।

শেষত, যিটো কথা নিলিখিলে মোৰ লেখনিটো আধৰুৱা হৈ পৰিব সেই কথাটো উল্লেখ কৰিব বিচাৰিছোঁ। সেয়া হ'ল দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপাল ফুকনদেৰৰ কৰ্মস্পৃহা। জিৰণিবিহীনভাৱে এজন ব্যক্তিয়ে কাম কৰি সকলো ব্যক্তিৰ লগতে আন্তৰিকতাৰে ভাব বিনিময় কৰি সকলোকে আপোন কৰি ল'ব পৰা গুণটোৱে তেখেতক চিৰনমস্য কৰি তুলিছে।

দুধনৈ মহাবিদ্যালয়ৰ প্ৰশংসনীয় মিঠা অনুভূতিবোৰ মোৰ মনত চিৰস্মৰণীয় হৈ ৰ'ব।

পুহমহীয়া **শীতৰ** পৰা ৰক্ষা পাবৰ বাবে আহাৰ থলীৰ কাষতে আয়োজন কৰা ডাঙৰ কাঠৰ দগমগীয়া **জুইকুৰাৰ কথা প্ৰতিনিধিসকলে নিশ্চয় মনত ৰাখিব। সেইদৰে প্ৰতিনিধিসকলৰ** থকা-মেলা, খোৱা-বোৱা, গাড়ী পাৰ্কিং আদি অতি পৰিপাটি আছিল।

# দুধনৈ কলেজ সঁচাকৈয়ে প্ৰশংসাৰ যোগ্য

**চন্দন বৰুৱা**

টংলা কলেজ, টংলা
প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক
সদস্য, অঃ কঃ শিঃ সঃ

যোৱা ইং ২০১৬ চনৰ ২৭, ২৮, ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে গোৱালপাৰাৰ দুধনৈ কলেজত অসম কলেজ শিক্ষক সংস্থাৰ ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হৈছিল। সেই সময়ৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহকৰ এজন সদস্য হিচাপে উক্ত অধিৱেশনত উপস্থিত থকাৰ আমাৰ সৌভাগ্য ঘটিছিল। অসম কলেজ শিক্ষক সংস্থাৰ দৰে এটা বিশাল সংগঠনৰ বাৰ্ষিক অধিৱেশন এখন গোৱালপাৰা মণ্ডলৰ দৰে এটা সৰু মণ্ডলে আমন্ত্ৰণ কৰি যি সাহস আৰু উদ্যমৰ পৰিচয় দিলে, আৰু তাৰ বাবে দুধনৈ কলেজ আৰু গোৱালপাৰা মণ্ডল সঁচাকৈয়ে ধন্যবাদ আৰু প্ৰশংসাৰ যোগ্য। এইক্ষেত্ৰত অৱশ্যে অসম কলেজ শিক্ষক সংস্থাৰ এজন প্ৰাক্তন বিষয়ববীয়া আৰু বৰ্তমান দুধনৈ কলেজৰ সন্মানীয় অধ্যক্ষ ড° গোপাল ফুকনদেৱৰ উদ্যোগৰ শলাগ ল'ব লাগিব।

উল্লেখযোগ্য যে সংস্থাৰ ৬২ সংখ্যক অধিৱেশনখনি অনুষ্ঠিত হৈছিল বৰপেটা মণ্ডলৰ বৰনগৰ কলেজত। বৰপেটা মণ্ডলৰ কলেজৰ সংখ্যা আছিল ১৫ খন। আনহাতে গোৱালপাৰা মণ্ডলৰ কলেজৰ সংখ্যা হ'ল মাত্ৰ ৬ খন। গতিকে এটা সৰু মণ্ডলৰ দ্বাৰা এক বিশাল অধিৱেশন অনুষ্ঠিত কৰাৰ প্ৰচেষ্টাৰ শলাগ ল'ব লাগিব। এইখিনিতে দুধনৈ অধিৱেশনৰ কিছু অনুভৱ উল্লেখ কৰিব বিচাৰিছোঁ। এই অধিৱেশনৰ কিছুমান কাৰ্যসূচীয়ে প্ৰতিনিধিসকলক বিশেষ আকৰ্ষণ কৰিছিল। বিশেষকৈ প্ৰতিনিধি আৰু অতিথিসকলক লাড়ু-পিঠাৰে যি আপ্যায়ন কৰিলে, সেই কথা পাহৰিব নোৱাৰি। তদুপৰি অধিৱেশন থলীত পৰিৱেশনত কৰা বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীসমূহৰ কথা উল্লেখ নকৰিলে এই লেখনি অসম্পূৰ্ণ হ'ব। পতাকা উত্তোলন কাৰ্যসূচীৰ পৰা আৰম্ভ কৰি প্ৰতিনিধি সভা মুকলি কৰালৈকে যিসমূহ সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰিলে, সেইসমূহে প্ৰতিনিধিসকলক সঁচাকৈয়ে আনন্দিত কৰিছিল। পুহমহীয়া শীতৰ পৰা ৰক্ষা পাবৰ বাবে আহাৰ থলীৰ কাষতে আয়োজন কৰা ডাঙৰ কাঠৰ দগমগীয়া জুইকুৰাৰ কথা প্ৰতিনিধিসকলে নিশ্চয় মনত ৰাখিব। সেইদৰে প্ৰতিনিধিসকলৰ থকা-মেলা, খোৱা-বোৱা, গাড়ী পাৰ্কিং আদি অতি পৰিপাটি আছিল। এক কথাত ক'বলৈ গ'লে দুধনৈ কলেজে ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশনখনি সীমিত সমলৰে সুন্দৰকৈ অনুষ্ঠিত কৰিবৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাই বুলিয়ে অনুভৱ হয়। সেয়ে দুধনৈ অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সংশ্লিষ্ট সকলোৰে ধন্যবাদৰ যোগ্য।

ভৱিষ্যতে পুনৰ গোৱালপাৰা মণ্ডলে অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিব বুলি আশা কৰিলোঁ।